# REGIONAL NEWS UNIT
# AKASHVANI
# GUWAHATI

0000000000

**Date :** 30-03-2024
**Time :** 17-15 Hrs

## Assamese Evening Bulletin

:::::::::::::::::::::::::::::::::

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত আয়োজিত বিশেষ অনুষ্ঠানত এইবছৰৰ ভাৰতৰত্ন সন্মান প্ৰদান কৰে। প্ৰাক্তন প্ৰধানমন্ত্ৰী চৌধাৰী চৰণ সিং আৰু পি ভি নৰসিংহ ৰাওৰ লগতে বিহাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী কপুৰী ঠাকুৰ আৰু যশস্বী বিজ্ঞানী এম এছ স্বামীনাথনক মৰণোত্তৰভাৱে ভাৰতৰত্ন সন্মানেৰে সন্মানিত কৰা হৈছে। এই অনুষ্ঠানত আটাইকেইগৰাকী সন্মানপ্ৰাপকৰ পৰিয়ালৰ লোকে ভাৰত ৰত্ন সন্মান গ্ৰহণ কৰে। আজিৰ অনুষ্ঠানত উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহ, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰৰ উপৰি বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰ আৰু কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে উপস্থিত থাকে। প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী তথা বিজেপিৰ বৰ্ষীয়ান নেতা লালকৃষ্ণ আদৱানীক কাইলৈ ৰাষ্ট্ৰপতিয়ে আনুষ্ঠানিকভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰত ৰত্ন প্ৰদান কৰিব।

০০০০

অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই লোকসভা নিৰ্বাচনৰ পিছতে ৰাজ্যত উমৈহতীয়া দেৱানী বিধি বলবৎ হ'ব বুলি ঘোষণা কৰিছে। কালি গুৱাহাটীৰ ৰাজ্যিক বিজেপিৰ মুখ্য কাৰ্যালয়ত নিৰ্বাচনী অগ্ৰগতি সন্দৰ্ভত দলৰ শীৰ্ষ বিষয়ববীয়াৰ সৈতে বৈঠকত মিলিত হোৱাৰ পিছতে সাংবাদিকেৰে হোৱা কথা বাৰ্তাত মুখ্যমন্ত্ৰীগৰাকীয়ে এই মন্তব্য কৰে। ড° শৰ্মাই ৰাজ্যখনত বহুবিবাহ বন্ধ কৰাৰ ক্ষেত্ৰতো উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লোকসভা নিৰ্বাচনত অসমত এন ডি এই ভাল ফলাফল লাভ কৰিব বুলিও দাবী কৰে।

০০০০

আসন্ন নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে নিজৰ প্ৰাৰ্থীৰ সমৰ্থনত প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। আজি কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় সমষ্টিৰ বিজেপিৰ প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালে তিনিচুকীয়া জিলা ভ্ৰমণ কৰি কেইবাটাও কাৰ্যসূচীত অংশগ্ৰহণ কৰে। ইপিনে, কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত বিভিন্ন স্থানত বিজেপি মিত্ৰজোটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা আৰু কংগ্ৰেছৰ প্ৰাৰ্থী ৰোজলীনা তিৰ্কীয়ে প্ৰচাৰ চলায়। বিজেপিৰ প্ৰাৰ্থীগৰাকীয়ে বোকাখাট সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলোৱাৰ বিপৰীতে কংগ্ৰেছৰ প্ৰাৰ্থীগৰাকীয়ে মেৰাপানী, জামুগুৰি আৰু গোলাঘাট আদিত প্ৰচাৰ চলায়। শিৱসাগৰ সমষ্টিৰ বিধায়ক অখিল গগৈয়ে আজি যোৰহাট সমষ্টিৰ কংগ্ৰেছৰ প্ৰাৰ্থী গৌৰৱ গগৈৰ হৈ প্ৰচাৰ অভিযানত অংশ লয়। ইপিনে, দৰং,

ওদালগুৰি লোকসভা সমষ্টিত হাগ্ৰামা মহিলাৰী নেতৃত্বাধীন বিপিএফ দলে ব্যাপক প্ৰচাৰ চলাইছে। আজি দলৰ প্ৰাৰ্থী দুৰ্গাদাস বড়োৱে তামুলপুৰ বিধানসভা সমষ্টিৰ বিভিন্ন অঞ্চলত প্ৰচাৰ চলায়। ইপিনে, বাক্সা জিলাৰ শালবাৰীত আজি ইউ পি পি এল দলৰ এটা যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিপিএফ দলৰ শতাধিক কৰ্মীয়ে ইউ পি পি এলত যোগ দিয়ে। ০০০০০

০০০০

ৰাজ্যত ৩টা পৰ্যায়ত হ'বলগীয়া লোকসভা নিৰ্বাচনৰ বাবে জিলা প্ৰশাসনসমূহে তৎপৰতা গ্ৰহণ কৰিছে। গোলাঘাট জিলাৰ নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ত আজি কাজিৰঙা লোকসভা সমষ্টিৰ বাবে মনোনয়ন পত্ৰ দাখিল প্ৰাৰ্থীসকলৰ প্ৰতীক চিহ্ন আৱণ্টন প্ৰক্ৰিয়া সম্পন্ন হয়। উল্লেখযোগ্য যে এই সমষ্টিটোৰ বাবে ১১ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে। প্ৰাৰ্থী আৰু প্ৰতিনিধিসকলৰ উপস্থিতিত সমষ্টিটোৰ ৰিটাৰ্ণিং বিষয়া ডা০ পি উদয় প্ৰবীণে নিৰ্বাচনৰ বাবে প্ৰাৰ্থীসকলৰ নামত আৱণ্টিত প্ৰতীক চিহ্নসমূহ ঘোষণা কৰে। ইয়াৰ লগতে সংসদীয় সমষ্টিটোৰ প্ৰাৰ্থী তথা প্ৰতিনিধিসকলৰ সৈতে নিৰ্বাচন সন্দৰ্ভত মত বিনিময়ত অংশ লয়।

ইপিনে বাক্সা জিলাত আজি প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলৰ প্ৰশিক্ষণৰ সামৰণি পৰে। উল্লেখযোগ্য যে বাক্সা জিলাৰ কোকৰাঝাৰ লোকসভা সমষ্টি আৰু দৰং-ওদালগুৰিত লোকসভা সমষ্টিৰ অন্তৰ্গত ৪টা বিধানসভা সমষ্টি সামৰি লোৱা হৈছে। ইয়াৰ ভিতৰত মানাহ, বাক্সা, তামুলপুৰ আৰু গোৰেশ্বৰ বিধানসভা সমষ্টিৰ ৯৪৬টা ভোট কেন্দ্ৰত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলাখনত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবলৈ এহেজাৰ ১৩৫ গৰাকী প্ৰিজাইডিং বিষয়া আৰু ৩ হাজাৰ ৪০৫ গৰাকী প'লিং বিষয়াক প্ৰশিক্ষণ দিয়া হয়। লগতে  ৯৪৬ গৰাকী বিএলঅ'ক আৰু ১৬ গৰাকী ন'ডেল বিষয়াক মাষ্টাৰ প্ৰশিক্ষকে প্ৰশিক্ষণ দিয়ে।

আনহাতে যোৰহাট লোকসভা সমষ্টিৰ অন্তৰ্গত শিৱসাগৰ নিৰ্বাচনী জিলাত ৬টা ভোটগ্ৰহণ কেন্দ্ৰক আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ হিচাপে নিৰ্বাচন কৰা হৈছে। জিলাখনৰ মুঠ ৮টা ভোটগ্ৰহণ কেন্দ্ৰ মহিলা বিষয়াৰ দ্বাৰা পৰিচালিত হ'ব।

একেদৰে ৭ মে'ত হ'বলগীয়া তৃতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে দক্ষিণ শালমাৰা মানকাচৰ জিলা প্ৰশাসনে যাৱতীয় ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ ৩৪৭টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ৫টা মহিলাৰ দ্বাৰা পৰিচালিত হ'ব। ইয়াৰ বাবে জিলা প্ৰশাসনে আজি ৩৬ গৰাকী মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰশিক্ষণ প্ৰদান কৰে। ইতিমধ্যেই জিলাখনত এহেজাৰ ৬৬৪ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়াক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ প্ৰদান কৰা হৈছে। মহিলা প্ৰিজাইডিং আৰু প'লিং বিষয়াসকলক প্ৰথম পৰ্যায়ৰ প্ৰশিক্ষণ দিয়াৰ পাছত নিৰ্বাচনৰ পূৰ্বে দ্বিতীয় আৰু তৃতীয় পৰ্যায়ৰ প্ৰশিক্ষণ দিয়া হ'ব।

ইপিনে ব্যয় পৰ্যবেক্ষক শংকৰলাল বাৰ্মাই ডিমা হাছাও জিলাৰ হাফলঙত উপস্থিত হৈ নিৰ্বাচনী বিষয়াসকলৰ সৈতে মত বিনিময় কৰে। লগতে আসন্ন নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত বুজ লয়। তেওঁ নিৰ্বাচনী ব্যয় নিৰীক্ষণ কোষৰ বিষয়ববীয়াসকলৰ সৈতেও বৈঠকত মিলিত হয়।

০০০০

সমাপ্ত